# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 07-04 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES

**::::::::::::::::::**

১।	জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ নাৱাডাত এখন নিৰ্বাচনী সভাত ভাষণ দিব।

২।	চি পি আইৰ সাধাৰণ সম্পাদক ডি ৰাজাই কালি নতুন দিল্লীত আসন্ন লোকসভা নিৰ্বাচনৰ বাবে দলীয় ইস্তাহাৰ প্ৰকাশ কৰে।

৩।	কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে জয়পুৰৰ এটা সমাবেশত জম্মু-কাশ্মীৰ সন্দৰ্ভত কৰা মন্তব্যৰ বাবে কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেক তীব্ৰ সমালোচনা কৰিছে।

৪।	ভাৰতীয় উপকূল ৰক্ষী বাহিনীৰ আই জি চি এছ ৰীৰা নামৰ জাহাজখনে কালি বংগোপসাগৰৰ অন্ধ্ৰপ্ৰদেশ উপকূলৰ পৰা ৯ গৰাকী মাছমৰীয়াক উদ্ধাৰ কৰে।

**আৰু**

৫।	ৰাজস্থান ৰয়েলছে যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে।

ooooo

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ নাৱাডাত এখন নিৰ্বাচনী সভাত ভাষণ দিব। এই সভাখনত বিজেপিৰ নেতাসকলৰ লগতে এন ডি এৰ অন্তৰ্ভুক্ত আন ৰাজনৈতিক দলৰ নেতাসকলেও অংশগ্ৰহণ কৰিব। এইখন হ'ব এই সপ্তাহটোত ৰাজ্যখনত প্ৰধানমন্ত্ৰীৰ দ্বিতীয়খন নিৰ্বাচনী সভা। ইয়াৰ পূৰ্বে যোৱা চাৰি এপ্ৰিলত প্ৰধানমন্ত্ৰীয়ে জামুই সমষ্টিৰ পৰা নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিছিল। নাৱাডাত প্ৰধানমন্ত্ৰীৰ নিৰ্বাচনী সভাৰ প্ৰতি লক্ষ্য ৰাখি ব্যাপক নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। উল্লেখযোগ্য যে নাৱাডা, গয়া, ঔৰংগাবাদ আৰু জামুইত লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত অহা ১৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমাগত লোকসভা নিৰ্বাচনৰ বাবে আজি মধ্যপ্ৰদেশৰ জবলপুৰ সমষ্টিত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰি বিজেপিৰ নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিব। এই ৰোড শ্ব'টো আজি সন্ধিয়া শ্বহীদ সিং ক্ৰচিঙৰ পৰা আৰম্ভ হৈ গোৰখপুৰৰ আদি শংকৰাচাৰ্য ক্ৰচিঙত অন্ত পৰিব। উল্লেখযোগ্য যে মধ্যপ্ৰদেশৰ মহাকোশল অঞ্চলৰ অন্তৰ্ভুক্ত বালাঘাট আৰু জবলপুৰ সমষ্টি দুটাত বহু জনজাতীয় ভোট আছে। ২০১৯ চনৰ লোকসভা নিৰ্বাচনত মধ্যপ্ৰদেশৰ ২৯ খন আসনৰ ভিতৰত কংগ্ৰেছে জয়লাভ কৰিবলৈ সক্ষম হোৱা চিন্দৱাৰা

সমষ্টিটোও এই অঞ্চলৰে অন্তৰ্ভুক্ত। প্ৰধানমন্ত্ৰীয়ে মঙলবাৰে বালাঘাটতো এখন জনসভাত ভাষণ দিব বুলি বিজেপিৰ দলীয় সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে এই সমষ্টি কেইটাত অহা ১৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব।

ooooo

চি পি আইৰ সাধাৰণ সম্পাদক ডি ৰাজাই কালি নতুন দিল্লীত আসন্ন লোকসভা নিৰ্বাচনৰ বাবে দলীয় ইস্তাহাৰ প্ৰকাশ কৰে। ইস্তাহাৰত পুৰণি পেঞ্চন ব্যৱস্থা সম্পূৰ্ণৰূপে বাহাল আৰু ব্যক্তিগত খণ্ডত সংৰক্ষণ ব্যৱস্থা বলৱৎ কৰাৰ তথা সাৰ্বজনীন খণ্ডক সম সুযোগৰ ভিত্তিত আগুৱাই লৈ যোৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা হৈছে। দলে লগতে সকলোকে সুলভ স্বাস্থ্য আৰু শিক্ষাৰ ব্যৱস্থা কৰাৰ বাবে খণ্ড দুটাৰ বাবে অধিক পুঁজি দাবী কৰিব আৰু পৰিসীমন তথা লোকপিয়ল সম্পৰ্কীয় ব্যৱস্থা আঁতৰাই ততালিকে মহিলাৰ সংৰক্ষণ ৰূপায়ণৰ হকে কাম কৰিব বুলি ইস্তাহাৰত প্ৰকাশ কৰা হৈছে। এই উপলক্ষে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত ডি ৰাজাই কয় যে, এইবাৰৰ লোকসভা নিৰ্বাচন দেশ আৰু ইয়াৰ ভৱিষ্যতৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে। তেওঁ লগতে নৰেন্দ্ৰ মোদী চৰকাৰে ভাল দিনৰ প্ৰতিশ্ৰুতি পূৰণ কৰা নাই বুলি অভিযোগ উত্থাপন কৰে।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে জয়পুৰৰ এটা সমাবেশত জম্মু-কাশ্মীৰ সন্দৰ্ভত কৰা মন্তব্যৰ বাবে কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেক তীব্ৰ সমালোচনা কৰিছে। শ্ৰীশ্বাহে কালি সামাজিক মাধ্যমযোগে কয় যে, কংগ্ৰেছ দলে কাশ্মীৰৰ সৈতে কি সম্পৰ্ক বুলি প্ৰশ্ন কৰাটো সঁচাকৈয়ে লজ্জাজনক। শ্ৰীশ্বাহে কয় যে, তেওঁ কংগ্ৰেছ দলক সোঁৱৰাই দিব খোজে যে জম্মু-কাশ্মীৰ ভাৰতৰ অবিচ্ছেদ্য অংগ আৰু প্ৰতিখন ৰাজ্য তথা নাগৰিকৰ জম্মু-কাশ্মীৰৰ ওপৰত অধিকাৰ আছে, যিধৰণে জম্মু-কাশ্মীৰ জনসাধাৰণৰ দেশৰ বাকী অংশৰ ওপৰত অধিকাৰ আছে। তেওঁ কয় যে, কংগ্ৰেছে হয়তো নাজানে জম্মু-কাশ্মীৰৰ শান্তি আৰু সুৰক্ষাৰ হকে ৰাজস্থানৰ কিমানগৰাকী বীৰ সন্তানে নিজৰ জীৱন উৎসৰ্গা দিছে। এনেধৰণৰ বিবৃতিয়ে দেশৰ একতা আৰু অখণ্ডতাক লৈ চিন্তিত প্ৰতিগৰাকী দেশপ্ৰেমী নাগৰিকৰ মনত আঘাত দিয়ে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

ooooo

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই যোৱা নিশা কেৰালাৰ ক'জিকোড লোকসভা সমষ্টিৰ প্ৰাৰ্থী এম টি ৰমেশৰ সমৰ্থনত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। ৰোড শ্ব'ৰ অন্তত তেওঁ দলীয় কৰ্মসকলক সম্বোধন কৰে। কেৰালাৰ ইউ ডি এউ আৰু এল ডি এফক একেটা মুদ্ৰাৰে ইপিঠি সিপিঠি বুলি অভিহিত কৰি তেওঁ দুয়োটা দলেই দুৰ্নীতিৰ প্ৰতি আগ্ৰহী বুলি মন্তব্য কৰে। ৰাজ্যখনত দুৰ্নীতি চলি থকা বুলি অভিযোগ তুলি তেওঁ কয় যে, দুয়োটা মিত্ৰজোঁটে স্থানীয়ভাৱে এটাই আনটোৰ বিৰুদ্ধে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'লেও ৰাষ্ট্ৰীয় পৰ্যায়ত তেওঁলোকৰ মিত্ৰতাই ভণ্ডামি আৰু আদৰ্শগত বিভ্ৰান্তিকে সূচায়। তেওঁ কয় যে, যোৱা ১০টা বছৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যুৱক-যুৱতী, মহিলা, কৃষক আৰু সা-সুবিধাৰ পৰা বঞ্চিত লোকসকলকে ধৰি সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে কাম কৰিছে।

ooooo

ভাৰতীয় উপকূল ৰক্ষী বাহিনীৰ আই জি চি এছ ৱীৰা নামৰ জাহাজখনে কালি বংগোপসাগৰৰ অন্ধ্ৰপ্ৰদেশ উপকূলৰ পৰা ৯ গৰাকী মাছমৰীয়াক উদ্ধাৰ কৰে। নাৱত জুই লাগি ডুব যোৱাৰ ফলত এই

মাছমৰীয়াকেইজন বেয়াকৈ আহত হৈছিল। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতি যোগে কৈছে পৰিস্থিতিৰ গুৰুত্ব অনুধাৱন কৰি আই জি চি এছ্ ৱীৰা নামৰ জাহাজখনে কেইঘণ্টামানৰ ভিতৰতে দুৰ্ঘটনাস্থানত উপস্থিত হয় আৰু মাছমৰীয়াকেইজনক জাহাজখনলৈ লৈ আনে। মাছমৰীয়াকেইজনক জাহাজখনতে চিকিৎসকৰ দলে প্ৰাথমিক চিকিৎসা প্ৰদান কৰে। পাছত আহত মাছমৰীয়াকেইজনক উন্নত চিকিৎসাৰ বাবে বিশাখাপট্টনমত কিং জৰ্জ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ৬ ঘণ্টাৰ ভিতৰতে এই উদ্ধাৰ অভিযান সম্পূৰ্ণ কৰা হয়।

ooooo

পশ্চিমবংগৰ পূব মেদনিপুৰ জিলাৰ ভূপতি নগৰত কালি ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা NIAৰ ওপৰত কালি এটা আক্ৰমণ সংঘটিত হয়। NIAৰ দলটো এটা গোচৰৰ তদন্তৰ উদ্দেশ্যে তালৈ গৈছিল। ২০২২ চনৰ ডিচেম্বৰত ভূপতি নগৰত সংঘটিত বোমা বিস্ফোৰণৰ ঘটনাৰ সৈতে জড়িত তৃণমূল কংগ্ৰেছৰ দুজন স্থানীয় নেতাক নিজৰ জিম্মাত ল'বলৈ যোৱাৰ সময়তে NIAৰ দলটো আক্ৰমণৰ সন্মুখীন হয়। উল্লেখযোগ্য যে বোমা বিস্ফোৰণৰ ঘটনাটোত তৃণমূল কংগ্ৰেছৰ ৩ জন স্থানীয় নেতাৰ মৃত্যু হৈছিল। NIAয়ে এই গোচৰটোৰ তদন্ত কৰি আছে। দলটোৱে তৃণমূল কংগ্ৰেছৰ নেতাকেইজনক কলিকতাত NIAৰ বিশেষ আদালতত হাজিৰ কৰোৱাৰ কথা আছিল। গ্ৰেপ্তাৰ হোৱা মনব্ৰত জানা আৰু বলাইচৰণ মৈইতি ভূপতি নগৰ বোমা বিস্ফোৰণৰ ঘটনাত প্ৰত্যক্ষভাৱে জড়িত আছিল। NIAয়ে ইতিমধ্যে এই ঘটনাৰ সন্দৰ্ভত ৮জন লোকক দুবাৰকৈ সোধা-পোছাৰ বাবে মাতিছিল। কিন্তু কোনো এজন লোকেই NIAৰ ওচৰত হাজিৰ হোৱা নাছিল। কালি গ্ৰেপ্তাৰ কৰা লোককেইজনো এই ৮ জন লোকৰ মাজৰেই আছিল।

ooooo

বিজেপিয়ে পশ্চিমবংগৰ মেদনিপুৰ জিলাত ৰাষ্ট্ৰীয় তদন্ত সংস্থাৰ দলৰ ওপৰত হোৱা আক্ৰমণক লৈ মমতা বেনাৰ্জী নেতৃত্বাধীন ৰাজ্য চৰকাৰক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত কালি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত বিজেপিৰ মুখপাত্ৰ ছেহজাদ পুনেৱালাই ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতি দিনক দিনে বেয়াৰ পিনে ঢাল খোৱা বুলি অভিযোগ তোলে। ২০২২ চনত বোমা বিস্ফোৰণৰ ঘটনাৰ তদন্তত বাধা সৃষ্টি কৰা আৰু এই ঘটনাৰ সৈতে জড়িত সকলক ৰক্ষণাবেক্ষণ দিয়াৰ উদ্দেশ্যে মমতা বেনাৰ্জী চৰকাৰে ৰাষ্ট্ৰীয় তদন্ত সংস্থাৰ বিষয়াসকলৰ ওপৰত হোৱা এই আক্ৰমণৰ পৰিকল্পনা কৰা বুলিও তেওঁ অভিযোগ কৰে। শ্ৰীপুনেৱালাই কয় যে, ৰাষ্ট্ৰীয় তদন্ত সংস্থাৰ বিষয়াসকলৰ ওপৰত হোৱা আক্ৰমণ আৰু সন্দেশশালীত বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ বিষয়াৰ ওপৰত হোৱা আক্ৰমণৰ শৈলী একেধৰণৰ।

ইপিনে বিজেপিৰ মুখপাত্ৰ চৰ্দাৰ আৰ পি সিঙে আইন শৃংখলাৰ বিষয় লৈ পাঞ্জাব চৰকাৰ আৰু মুখ্যমন্ত্ৰী ভগৱন্ত মানক তীব্ৰ সমালোচনা কৰে।

ooooo

ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা NIAয়ে কালি চি পি আই এমৰ ভাৰত বিৰোধী ষড়যন্ত্ৰমূলক গোচৰ সংক্ৰান্তত উত্তৰ প্ৰদেশ আৰু বিহাৰৰ বহুকেইখন ঠাইত অভিযান চলায়। NIAৰ দলে উত্তৰ প্ৰদেশত সন্ত্ৰাসবাদ বিৰোধী স্কোৱাডে ৰুজু কৰা গোচৰৰ সংক্ৰান্তত উত্তৰপ্ৰদেশ বাল্লীয়া জিলাৰ ১১টা স্থানত আৰু বিহাৰৰ কাইমুৰ জিলাৰ এটা স্থানত এই ঘটনাৰ লগত জড়িত বুলি সন্দেহ কৰা লোকৰ ঘৰত অভিযান চলায়। সংস্থাটোৱে এটা বিবৃতিত

প্ৰকাশ কৰা মতে এই অভিযানত মোবাইল ফোন, ছিম কাৰ্ড, মেম'ৰি কাৰ্ডকে ধৰি বহুতো ডিজিটেল যন্ত্ৰপাতিৰ লগতে আপত্তিজনক নথিপত্ৰও জব্দ কৰা হৈছে।

ooooo

ৰাজস্থান ৰয়েলছে যোৱা নিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ১৮৪ ৰানৰ বিজয় লক্ষ্যৰে খেলা আৰম্ভ কৰি ১৯ অভাৰ আৰু এটা বলত ৪টা উইকেট হেৰুৱাই ১৮৯ ৰান সংগ্ৰহ কৰে। ৰাজস্থানৰ হৈ জছ বাটলাৰে অপৰাজিত শতক অৰ্জন কৰে আৰু সঞ্জু ছেমছনে ৬৯ ৰানৰ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়ায়। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ ৰিছ ট'পলে দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৩ উইকেটৰ বিনিময়ত ১৮৩ ৰান কৰে। বেংগালুৰুৰ হৈ বিৰাট কোহলিয়ে ১১৩ ৰান কৰাৰ বিপৰীতে অধিনায়ক ডু প্লেছিছে ৪৪ ৰানৰ বৰঙণি আগবঢ়ায়। ৰাজস্থান ৰয়েলছৰ য়ুজবেন্দ্ৰ চহালে দুটা উইকেট লাভ কৰে। ৰাজস্থান ৰয়েলছৰ জছ বাটলাৰক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। ইয়াৰে বিয়লি চাৰে ৩ বজাত মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া প্ৰথমখন খেলত দেলহি কেপিটেলছ মুম্বাই ইণ্ডিয়ানছৰ সন্মুখীন হ'ব। আনহাতে সন্ধিয়া চাৰে ৭ বজাত লক্ষ্ণৌৰ শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ গুজৰাট টাইটানছৰ মুখামুখি হ'ব।

ooooo

সমাপ্ত